**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-DEC-2025
**Time :** 1100 Hrs

## *Assamese 11 AM Bulletin*

--------------------------------

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২০ ডিচেম্বৰত বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ নতুন টাৰ্মিনেল মুকলি কৰাৰ লগতে গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া বৰঝাৰ বিমান বন্দৰ ভ্ৰমণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এইকথা সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা মতে অহা ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিয়লি ২ বাজি ৪৫ মিনিটত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰিব। ইয়াৰ পাছত তেওঁ বিমানবন্দৰৰ নতুন টাৰ্মিনেল মুকলি কাৰ্যসূচীৰ লগত সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানৰ অংশ হিচাপে বিমানবন্দৰৰ চৌহদৰ ভিতৰতে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উদ্বোধন কৰিব। তেওঁ বিমানবন্দৰৰ নতুন টাৰ্মিনেল উদ্বোধন কৰাৰ পাছত টাৰ্মিনেল ভৱনৰ ভিতৰত ১৫ মিনিট সময় কটাই এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকী বৰঝাৰ বিমান বন্দৰৰ পৰা বিজেপিৰ ৰাজ্যিক কাৰ্যালয়লৈ যাব আৰু দলীয় কৰ্মীসকলৰ সৈতে কিছুসময় কটাব। নিশাটো গুৱাহাটীত কটোৱাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে ২১ ডিচেম্বৰত পুৱা গুৱাহাটীৰ নৌ পৰিবহন টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫-৩০ গৰাকী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। তেওঁ লগতে অসম আন্দোলনৰ ছহিদসকলৰ স্মৃতিত বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব আৰু ৮৬০ গৰাকী ছহিদলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব। তাৰ পিছত প্ৰধানমন্ত্ৰী ডিব্ৰুগড়লৈ ৰাওনা হ'ব। তাত তেওঁ প্ৰায় ১১ হাজাৰ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া নামৰূপৰ এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয় -

বাইট (চি এম)

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাত **বিকাশৰ নতুন প্ৰভাত** কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। এই কাৰ্যসচীৰ অধীনত তেওঁ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ লগতে আত্মসহায়ক গোটৰ মহিলাসকলক চেক বিতৰণ কৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই টিংখাং বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ২৩ হাজাৰ ৭৯১ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰিব। তদুপৰি তেওঁ মৰাণত ১২ কোটি ৩২ লাখ টকা ব্যয়ৰে নিৰ্মাণ হোৱা অভয়পুৰ গ্ৰাম্য ক্ৰীড়া প্ৰকল্প উদ্বোধন কৰিব। আনহাতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই তৃতীয় পৰ্যায়ৰ অসম মালাৰ অধীনত ৩৬ কোটি ৯২ লাখ টকা ব্যয়ৰে মৰাণ-নিতাই পথৰ মৰাণ টাউনক্লাবৰ পৰা গজপুৰীয়া লুকুমাৰী অংশৰ ৯ দশমিক ৩ কিলোমিটাৰ পথৰ উন্নীতকৰণ আৰু বহলীকৰণৰ আধাৰশিলা স্থাপন কৰিব। একেদৰে তেওঁ ১৯ কোটি ৫০ লাখ

টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া টিংখাং সমজিলা আয়ুক্তৰ কাৰ্যালয় আৰু মৈত্ৰী আঁচনিৰ অধীনত ২ কোটি ১৫ লাখ টকাৰে নিৰ্মাণ কৰিবলগীয়া মৰাণ আৰক্ষী থানা ভৱনৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

গুৱাহাটী মহানগৰীৰ খাৰঘুলিৰ জয়পুৰৰ ব্ৰহ্মপুত্ৰত যোৱা ১০ ডিচেম্বৰত সন্ধানহীন হোৱা ৫ জন লোকৰ ভিতৰত তৃতীয়জন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। অৱশ্যে খাৰঘূলিত উদ্ধাৰ কৰা মৃতদেহটো এই পৰ্যন্ত চিনাক্ত কৰা হোৱা নাই। বাকী দুজন এতিয়ালৈকে সন্ধান লাভ কৰিব পৰা হোৱা নাই। উল্লেখযোগ্য যে জয়পুৰত থকা ভক্তি কুটিৰ নামৰ এটা আধ্যাত্মিক প্ৰতিষ্ঠানলৈ যোৱা ৯ জন লোক ব্ৰহ্মপুত্ৰলৈ নামি যোৱাৰ পাছত ইয়াৰে ৪ জনে কথমপি প্ৰাণ ৰক্ষা কৰি উঠি আহে যদিও ৫ জন লোক ব্ৰহ্মপুত্ৰত উটি যায়। ইয়াৰ পাছৰে পৰা এছ ডি আৰ এফ আৰু এন ডি আৰ এফে অভিযান চলাই তিনিজনৰ মৃতদেহ উদ্ধাৰ কৰে। উদ্ধাৰকাৰী দলে শনিবাৰে এজন আৰু সোমবাৰে আন এজন লোকৰ মৃতদহে উদ্ধাৰ কৰিছিল।

০০০০০০

নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ দখলিকৃত চৰকাৰী ভূমিত প্ৰশাসনে আজি দ্বিতীয় দিনাও উচ্ছেদ অভিযান চলাইছে। আজি ৰৌমাৰী বিল, মৈৰাধবজ, বেচামাৰী, শালমৰাবৰি, অকৰাবৰি আৰু গেলেকনি বিলৰ ভূমি দখলমুক্ত কৰাৰ বাবে অভিযান চলোৱা হৈছে। এই অভিযানৰ বাবে তিনি শতাধিক আৰক্ষীৰ লোক নিয়োগ কৰা হৈছে। এই অভিযান ১৯ আৰু ২০ ডিচেম্বৰতো চলিব। উল্লেখযোগ্য যে কালি পুৱা ৮ বজাত আৰম্ভ কৰা এই অভিযানত টুকটুকী, শালনাবাৰী আৰু আহোম গাঁৰৰ অবৈধভাৱে পুখুৰী খনন কৰা চৰকাৰী ভূমি দখলমুক্ত কৰা হয়। অঞ্চলটোত বহুলোকে কেইবা বছৰ ধৰি বৃহৎ পুখুৰী খনন কৰি অবৈধভাৱে মাছৰ ব্যৱসায় কৰি আহিছে। কালিৰ এই অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। কালি এই অভিযানস্থলীত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।

০০০০০০

বিশ্বনাথ জিলাৰ চতিয়াৰ ছলাহলাত থকা মুলা গাভৰু মৈদামৰ উপাসনাস্থলীৰ কালি আধাৰশিলা স্থাপন কৰা হয়। এই মৈদামে অসমীয়া নাৰীৰ শক্তি আৰু স্বাভিমানক প্ৰতিফলিত কৰি আহিছে। ৰাজ্য চৰকাৰৰ অনিৰ্ধাৰিত পুঁজিৰ ৪০ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই উপাসনা স্থলীৰ আধাৰশিলা কালি নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই স্থাপন কৰে।

০০০০০০

**সমাপ্ত**